জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৮৩/২০২৩**

## মুখ্যমন্ত্ৰীয়ে পৰিদৰ্শন কৰিলে বেদখলমুক্ত কৰা বুঢ়াচাপৰি অভয়াৰণ্য

# ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ ২১ হাজাৰ বিঘা ভূমি বেদখলমুক্ত কৰিব ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ মে'** ঃ ৰাজ্য চৰকাৰে যোৱা ফেব্ৰুৱাৰী মাহত বেদখলকাৰীৰ কৱলৰ পৰা বেদখলমুক্ত কৰা বুঢ়াচাপৰি অভয়াৰণ্যত ১৬ হাজাৰ বিঘা ভূমিত সেউজ আৱৰণেৰে পৰিপূৰ্ণ কৰি অভয়াৰণ্যখনলৈ জৈৱ বৈচিত্ৰ পুনৰ ঘূৰাই অনাৰ লক্ষ্যৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বুঢ়াচাপৰি অভয়াৰণ্য ভ্ৰমণ কৰে। এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে বন বিভাগ আৰু জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতেও আলোচনাত মিলিত হয়।

সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে কোনেও বন বিভাগৰ মাটি বেদখল কৰিব নালাগে। ভূমিহীন লোকসকলে চৰকাৰক আবেদন কৰিলে যথোপযুক্ত ব্যৱস্থা লোৱা হ'ব বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বুঢ়াচাপৰি অভয়াৰণ্য হৈ ওৰাং ৰাষ্ট্ৰীয় উদ্যানলৈ বন্যপ্ৰাণীৰ বাবে পূৰ্বৰ অহা-যোৱা কৰা স্বাভাৱিক প্ৰাকৃতিক কৰিডৰটো পুনৰ মুকলি কৰাৰ বাবে ওৰাং ৰাষ্ট্ৰীয় উদ্যানত বেদখলকৃত ২১ হাজাৰ বিঘা ভূমি বেদখলমুক্ত কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে বেদখলকাৰীসকলক স্বেচ্ছাই বন বিভাগৰ ভূমিৰ পৰা ওলাই আহিবলৈও আহ্বান জনায়।

এই পৰিদৰ্শনকালত সাংসদ পল্লৱলোচন দাস, শোণিতপুৰ জিলাৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, নগাঁও জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, প্ৰধান মুখ্য বন সংৰক্ষক মহেন্দ্ৰ কুমাৰ যাদৱ প্ৰমুখ্যে উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**হেংশঃ**
**১৩/৫/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in